# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 15-02-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। এই উপলক্ষে নগাঁৱৰ নেহৰুবালিত আয়োজিত অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পাল উপস্থিত থাকে। আজি মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাই জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত সাধাৰণ শাখাৰ ৭ হাজাৰ ৯২৩ গৰাকীলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ ৪১গৰাকীলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

০০০০

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে। বজালী জিলাৰ জালিখাটাৰ কলিবাৰী শ্ৰীশ্ৰী শিৱ থানত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ৯৩ সংখ্যক শিৱ চতুৰ্দশী সভা মহোৎসৱ আৰম্ভ হৈছে। উল্লেখযোগ্য যে এছিয়া মহাদেশৰ ভিতৰত অন্যতম বৃহৎ তথা ২২৪ বছৰীয়া বৃহৎ বটবৃক্ষৰ তলত ১৯৩৪ চনতেই এই শিৱ থান গঢ় লৈ উঠিছিল। অহা ১৯ ফেব্ৰুৱাৰীত এই মহোৎসৱৰ অন্ত পৰিব।

০০০০

২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটাসমূহ আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত প্ৰদান কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাইয়ো অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাৰ বিষয়ে উল্লেখ কৰে।

-বাইট-

এইবেলি **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰিছে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হৈছে। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰিছে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আৰু **ৰাজদ্বীপ**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা আগবঢ়োৱা হৈছে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰিছে।

০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্ত মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

০০০০

আজিৰে পৰা ডিফুৰ তাৰালাংছ'ত ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। আজি শিল্পীৰ নাম পঞ্জীয়ন, শিল্পীৰ শিবিৰ মুকলি, বিচাৰক আৰু কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ সভা অনুষ্ঠিত হয়। এইবাৰ এই মহোৎসৱৰ চহা শিল্পীসকলক বিশেষ গুৰুত্ব দিয়া হৈছে। এই মহোৎসৱত কাৰ্বি লোককৃষ্টি প্ৰদৰ্শন কৰাৰ লগতে আন আন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। অহা ১৯ ফেব্ৰুৱাৰীত এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বজালী সংমণ্ডলৰ জিলা কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়গৃহ আজি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ১ কোটি ৬ লাখ টকা ব্যয়সাপেক্ষ এই কাৰ্যালয় উদ্বোধন কৰি মন্ত্ৰী দাসে কয় যে জনস্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকাৰ সময়ত নিৰ্মাণ আৰম্ভ কৰা এই কাৰ্যালয়ৰ উদ্বোধন কৰি তেওঁ আনন্দিত হৈছে।

০০০০

এছ্ এছ্ বি আৰু নাগ্ৰীজুলি আৰক্ষীয়ে চলোৱা এটা যুঁটীয়া অভিযানত ভাৰত-ভূটান সীমান্তত এজন ব্যক্তিক ৪ কিলোগ্ৰাম ভাংসহ আটক কৰা হয়। এছ্ এছ্ বি কামাণ্ডেণ্ট এইছ্ কে গুপ্তাৰ নেতৃত্বত আৰু সহকাৰী কমাণ্ডেণ্ট চাংলাই ৰবিনৰ নেতৃত্বত চলোৱা এই অভিযানৰ অন্তত ধৃত লোকজনক জব্দ কৰা ভাংসহ নাগ্ৰীজুলি আৰক্ষী গতাই দিয়া হয়। তামুলপুৰ জিলাৰ সীমান্তৱৰ্তী অঞ্চলসমূহত চোৰাং ব্যৱসায় ৰোধ কৰাৰ উদ্দেশ্যে এছ্ এছ্ বিয়ে এনে অভিযান অব্যাহত ৰাখিব বুলি জানিবলৈ দিছে।

০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে পাকিস্তানক ১৭৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ঈষাণ কিষাণে সৰ্বাধিক ৭৭ ৰাণ সংগ্ৰহ কৰে। পাকিস্তানৰ ছাইম আয়ুবে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাকিস্তানে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৬ অভাৰত চাৰিটা উইকেট হেৰুৱাই ৩৮ ৰাণ সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই নামিবিয়াক ৩১ ৰাণত পৰাস্ত কৰে। আমেৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**